بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## মক্কা বিজয়ৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়্দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৮ আগষ্ট ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ. بِسْمِ اللهِ الرَّحْمَٰنِ الرَّحِيمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, জলছাৰ আগতে মক্কা বিজয়ৰ ঘটনাসমূহৰ বৰ্ণনা হৈ আছিল। কিছুমান কঠোৰ বিৰোধীয়ে ইছলাম গ্ৰহণ কৰাৰ ঘটনা উল্লেখ কৰিছিলোঁ। ইয়াৰ আৰু কিছুমান ঘটনা আছে।

অহশী বিন হাৰবে উহুদৰ যুদ্ধত হজৰত হামজা (ৰাঃ)ক শ্বহীদ কৰিছিল, ফাতাহ মক্কাৰ পিছত তেওঁ তায়েফৰ ফালে গুচি গৈছিল; যেতিয়া তায়েফৰ বাসিন্দা সকলে ইছলাম গ্ৰহণ কৰিলে তেতিয়া তেওঁও আহি ইছলাম গ্ৰহণ কৰিছিল। ইছলাম গ্ৰহণ কৰাৰ পিছত তেখেত (ছাঃ)য়ে তেওঁক সুধিছিল যে তোমাৰ বাবে এইটো সম্ভৱ নে যে তুমি মোৰ পৰা নিজৰ চেহেৰাখন গোপন ৰাখিবা। ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ পিছত যেতিয়া মুছায়লিমা কাজ্জাবে বিদ্ৰোহ কৰিলে তেতিয়া অহশীয়ে এই ধাৰণাৰে মুছায়লিমাৰ বিৰুদ্ধে যুদ্ধত অংশ লৈছিল যাতে হজৰত হামজা (ৰাঃ)ৰ হত্যাৰ দাগ ধুই পেলাব পাৰে। যুদ্ধকালীন অৱস্থাত অহশীয়ে নিজৰ বল্লমেৰে আক্ৰমণ কৰি মুছায়লিমাক টুকুৰা টুকুৰ কৰি পেলালে যাৰ ফলতে তেওঁৰ মৃত্যু হয়।

এইদৰে উমৰু বিন হাশিমৰ দাসী ছাৰা যিজন মোঘনীয়া আছিল। মক্কা বিজয়ৰ আগতে ৰছুলে কৰিম (ছাঃ)ৰ পৰা সহায় বিচাৰিছিল তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে সুধে যে তোমাৰ সংগীতৰ কি হ'ল ? তাই কলে যে বদৰৰ যুদ্ধত কুৰাইছ চৰ্দাৰ সকলৰ মৃত্যুৰ পিছত মক্কাবাসী সকলে গান শুনাটো বন্ধ কৰি দিলে, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে তাইক এটা উট আৰু শস্য প্ৰদান কৰিছিল। কিন্তু তাই ইছলামৰ বিৰুদ্ধে

ব্যংগ গীত গোৱাৰ পৰা বিৰত নাথাকিল। এইজনী সেই মহিলা যাৰ ওচৰত হজৰত হাতিবৰ চিঠিখন পোৱা গৈছিল। পাছত তাই ইছলাম গ্ৰহণ কৰে আৰু হজৰত উমৰ (ৰাঃ)ৰ খিলাফতলৈকে জীৱিত আছিল।

এইদৰে ইবনে খতলৰ এগৰাকী দাসী ফৰিতনাও আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে ব্যংগ গীত গাইছিল; পাছত তাইয়ো ইছলাম গ্ৰহণ কৰিছিল।

হাৰিছ বিন হিশাম মক্কাৰ প্ৰিয় মুখিয়াল আছিল, আবু জেহেলৰ পিতৃৰ ফালৰ পৰা ভাতৃ আছিল, হজৰত খালিদৰ (ৰাঃ)ৰ ভনী তেওঁৰ পত্নী আছিল। মক্কা বিজয়ৰ সময়ত তেওঁ আৰু আব্দুল্লাহ বিন আবি ৰাবিআই হজৰত উম্মে হানি (ৰাঃ)ৰ ঘৰত প্ৰৱেশ কৰিছিল। হজৰত উম্মে হানিয়ে ৰছুলে কৰিম (ছাঃ)ক কলে যে এইজনক মইয়ে আশ্ৰয় দিছো। তেখেত (ছাঃ)য়ে কলে যে যাক তুমি আশ্ৰয় দিছা তেওঁক আমিয়ো আশ্ৰয় দিলো। কিছুদিন পিছত তেওঁ ৰছুলে কৰিম (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ কলিমা শ্বাহাদত পাঠ কৰিলে। ৰছুলে কৰিম (ছাঃ)য়ে কলে যে সকলো প্ৰশংসা আল্লাহ তা'লা বাবে। হাৰিছ! তোমাৰ নিচিনা মানুহ কেনেকৈ ইছলামৰ পৰা আঁতৰত থাকিছিলা। হাৰিছে উত্তৰ দিলে যে খোদাৰ শপত! ই্ছলামৰ পৰা আঁতৰি থকাটো সম্ভৱেই নাছিল।

এইদৰে ছুহেল বিন উমৰুৰ ইছলাম গ্ৰহণৰ ঘটনা উল্লেখ পোৱা যায়। তেওঁ হুদায়বিয়া চুক্তি কৰাৰ বাবে কুৰাইছ সকলৰ ফালৰ পৰা আহিছিল। তেওঁলোকে নিজেই কয় যে যেতিয়া মক্কা বিজয়ৰ পিছত ৰছুলে কৰিম (ছাঃ)য়ে ৰাজত্ব পালে তেতিয়া মই নিজৰ ঘৰতে নিজেই বন্দী হৈ নিজৰ ল'ৰাক মহম্মদ (ছাঃ)ৰ ওচৰলৈ পঠিয়ালো যাতে তেওঁ মোৰ বাবে নিৰাপত্তা বিচাৰে। আঁহজৰত (ছাঃ)য়ে তেওঁক নিৰাপত্তা প্ৰদান কৰি কলে যে ছুহেলৰ নিচিনা বিবেকবান আৰু নম্ৰ মানুহজনে বেছিদিন ইছলামৰ পৰা আঁতৰ হৈ থাকিব নোৱাৰে। ছুহেলে যেতিয়া এই সংবাদ পায় তেতিয়া তেওঁ কলে যে মহম্মদ (ছাঃ)য়ে বাল্যকালতেও দয়া কৰিছিল আৰু এই বয়সতেও দয়া কৰিছে। হুনাইনৰ যুদ্ধত তেওঁ পৌত্তলিক অৱস্থাত অংশ গ্ৰহণ কৰিছিল, কিন্তু হুনাইনৰ যুদ্ধৰ পৰা ওভতি অহাৰ সময়তে তেওঁ ইছলাম গ্ৰহণ কৰে। লিখা হৈছে যে মক্কা বিজয়ৰ পিছত কুৰাইছৰ চৰ্দাৰ সকলৰ মাজত নামাজ, ৰোজা আৰু দান বৰঙণি আগবঢ়োৱাত তেওঁৰ দৰে আন কোনো নাছিল। বহু কান্দিছিল, কোৰআন পাঠ কৰা সময়ত সদায় কান্দি থাকিছিল।

ছুহেল বিন উমৰুৰ আৰু এটা কৃতিত্ব হৈছে তেওঁ এজন মহান বক্তা আছিল। তেওঁ বদৰৰ যুদ্ধত কাফিৰ অৱস্থাত মুছলমান সকলৰ হাতত বন্দী হৈছিল, তেওঁ নিজৰ ওঁঠৰ মাজত চিহ্ন বনাই ৰাখিছিল। হজৰত উমৰু (ৰাঃ)য়ে সেই সময়ত ৰছুলে কৰিম (ছাঃ)ক কৈছিল যে হে আল্লাহৰ ৰছুল ! তেওঁৰ সন্মুখৰ দুটা দাঁত উলিয়াই দিম নে য'ত তেওঁ চিহ্ন বনাই ৰাখিছে যাতে তেওঁ আপোনাৰ বিৰুদ্ধে কেতিয়া ভাষণ প্ৰদান কৰিব নোৱাৰে, তেওঁৰ দাঁতখন উলিয়াই দিলে তেওঁৰ মুখত দাঁত নাথাকিব আৰু ভালদৰে কথা ক'ব নোৱাৰিব। তেখেত (ছাঃ)য়ে কলে যে হে উমৰ তেওঁক এৰি দিয়া; সম্ভৱত তেওঁ এনেকুৱা স্থানত গৈ উপনীত হ'ব পাৰে যেতিয়া তুমি তেওঁৰ প্ৰশংসা কৰিবা। হজৰত উমৰ (ৰাঃ)য়ে তেওঁক শাস্তি দিব বিচাৰিছিল কিন্তু আঁহজৰত (ছাঃ)য়ে তেওঁক নিষেধ কৰি কলে যে তেওঁক একোৱে নক'বা। এনেকুৱা সুযোগ আহিব যে তেওঁ এনেকুৱা স্থানত গৈ উপনীত হ'ব আৰু তেওঁৰ মুখৰ পৰা এনেকুৱা কথা নিৰ্গত হ'ব যে তুমি তেওঁৰ প্ৰশংসা কৰিবা। অৰ্থাৎ তেওঁ কয় যে এই স্থানত সেই সময়ত গৈ উপনীত হৈছিল যেতিয়া ৰছুলে কৰিম (ছাঃ) মৃত্যু বৰণ কৰিছিল তেতিয়া মক্কাবাসী সকলে ব্যাকুল হৈ পৰিছিল। কুৰাইছ সকলে যেতিয়া মক্কাবাসীক ধৰ্মত্যাগী হোৱা দেখিবলৈ পায় সেই সময়ত হজৰত আতাব বিন উছেয়দ আমুদি (ৰাঃ)য়ে নবী কৰিম (ছাঃ)ৰ

ফালৰ পৰা মক্কাবাসীৰ আমিৰ পদত নিযুক্ত আছিল; তেওঁ পলায়ন কৰে আৰু তেওঁৰ অৱস্থা বেয়া হৈ যায়, তেতিয়া হজৰত ছুহেল বিন উমৰু (ৰাঃ)য়ে ভাষণ প্ৰদান কৰিবলৈ থিয় হৈ কয় যে হে কুৰাইছৰ দল! তোমালোকে শেষ পৰ্যায়ত গৈ ইছলাম গ্ৰহণ কৰিছা, শেষত ইছলাম গ্ৰহণ কৰি প্ৰথম ধৰ্মত্যাগীৰ বাট অৱলম্বন নকৰিবা। খোদাৰ শপত এই ধৰ্ম এইদৰে বিস্তাৰ কৰিব যিদৰে চন্দ্ৰ আৰু সূৰ্য উদয়ৰ পৰা অস্তলৈকে বিস্তৃত হয়। এইদৰে তেওঁ অৰ্থাৎ ছুহেল (ৰাঃ)য়ে দীৰ্ঘ ভাষণ প্ৰদান কৰে; এই ভাষণে মক্কাবাসীৰ হৃদয়ত প্ৰভাৱ পেলায় আৰু তেওঁলোকে ধৰ্মত্যাগ কৰা এৰি দিয়ে। হজৰত আতাব বিন উছেয়দ (ৰাঃ) যিজনে পলায়ন কৰিছিল তেওঁকো মাতি অনা হয়; ইয়াৰ পিছত  কুৰাইছ সকলে ইছলামৰ ওপৰত দৃঢ় হৈ পৰে।

আকৌ হজৰত আতবা আৰু মুতাবৰ ইছলাম গ্ৰহণৰ সন্দৰ্ভত লিখা হৈছে যে হজৰত আববাছৰ পৰা বৰ্ণিত যে মক্কা বিজয়ৰ দিনা যেতিয়া আঁহজৰত (ছাঃ)য়ে আবু লাহাবৰ ল'ৰা আতবা আৰু মুতাব সম্বন্ধে সুধিছিল তেতিয়া মই কলো যে তেওঁলোক উভয়ে পৌত্তলিকৰ দৰে আঁতৰ হৈ আছে। তেখেত (ছাঃ)ৰ নিৰ্দেশানুযায়ী হজৰত আববাছ (ৰাঃ)য়ে তেওঁক লৈ আহে। তেখেত (ছাঃ)য়ে তেওঁলোকক ইছলামৰ ফালে আমন্ত্ৰণ জনায় ইয়াৰ পিছত তেওঁলোক উভয়ে বয়াত কৰি ইছলাম গ্ৰহণ কৰে, আঁহজৰত (ছাঃ)য়ে থিয় হৈ তেওঁলোকৰ হাত ধৰে আৰু মুনতাজিমলৈ লৈ যায় যিটো হাজৰে আছৱাদ আৰু কা'বাৰ দুৱাৰৰ মাজভাগৰ বায়তুল্লাহৰ অংশ হয়; ইয়াৰ সৈতে আঁকোৱালি লৈ দোৱা কৰা ছুন্নত; এই ঠাই হৈছে দোৱা গৃহীত হোৱাৰ বিশেষ স্থান; তাতে কিছু সময় দোৱা কৰিলে তাৰ পিছত তাৰ পৰা উভতি আহিলে। তেখেত (ছাঃ)ৰ চেহেৰাত আনন্দৰ হাঁহি দেখা গৈছিল। হজৰত আববাছ (ৰাঃ)য়ে কৈছিল যে হে আল্লাহৰ ৰছুল, আল্লাই আপোনাক আনন্দত ৰাখক, মই আপোনাৰ চেহেৰাত আনন্দৰ প্ৰভাৱ দেখা পাই আছো। তেখেত (ছাঃ)য়ে কলে যে মই নিজৰ খুৰাৰ দুজন ল'ৰাক নিজৰ প্ৰভুৰ পৰা বিচাৰিছিলোঁ সেইজনাই মোক দি দিলে।

ইয়াৰ পিছত ছাফৱান বিন উমায়াৰ ইছলাম গ্ৰহণ কৰাৰ উল্লেখ পোৱা যায়, ছাফৱান বিন উমায়া মক্কাৰ মুখিয়াল উমায়া বিন খালফৰ ল'ৰা আছিল। বদৰৰ যুদ্ধৰ পিছত তেওঁ নবী কৰিম (ছাঃ)ক হত্যা কৰাৰ ষড়যন্ত্ৰ কৰিছিল। মক্কা বিজয়ৰ সময়ত হজৰত উমেৰ বিন অহাব (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ ওচৰত নিৰাপত্তাৰ আবেদন জনাইছিল আৰু তেখেত (ছাঃ)য়ে অনুমোদন কৰিছিল। ছাফৱান ৰছুলে কৰিম (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ কৈছিল যে এতিয়া মই ইছলাম গ্ৰহণ কৰিব নিবিচাৰো, তেওঁ আৰু সময় বিচাৰিছিল। তায়েফ আৰু হুনাইনৰ যুদ্ধৰ পিছত যেতিয়া তেখেত (ছাঃ)য়ে যুদ্ধলব্দ বিতৰণ কৰি আছিল তেতিয়া ছাফৱানে তেওঁৰ উপত্যকাত ভেড়া-ছাগলী চ'ৰাই থকা অৱস্থাত আছিল আৰু তেওঁ সেই উদাৰতা চাই আচৰিত হৈছিল। তেখেত (ছাঃ)য়ে কৈছিল যে এই উপত্যকাত যি আছে সেই সকলোবোৰ তোমাৰ, সেয়ে সেইবোৰ লৈ যোৱা। ছাফৱানে তাৰে সকলোবোৰ সম্পত্তিৰ নিজৰ অধীন কৰি কয় যে  যিদৰে নবীৰ আত্মা সুন্দৰ পদ্ধতিৰে উদাৰতা দেখুৱায় এইদৰে আন কোনোবাই দেখুৱাব নোৱাৰে। ইয়াৰ পিছত তেওঁ তাতেই ইছলাম গ্ৰহণ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মক্কা বিজয়ৰ সময়ত ইছলাম গ্ৰহণ কৰা মক্কাৰ মুখিয়াল সকলৰ বেছিভাগেই পিছত গৈ নিজৰ জীৱনত এক শক্তিশালী আধ্যাত্মিক বিপ্লৱ সৃষ্টি কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই বিষয়ে উল্লেখ কৰি কৈছে যে হজৰত উমৰ (ৰাঃ)য়ে এবাৰ খলিফাৰ আসনত অধিষ্ঠিত থকা সময়ত মক্কাত উপস্থিত হয় তেতিয়া চহৰখনৰ ডাঙৰ ডাঙৰ চৰ্দাৰ সকলে এই ধাৰণাৰে উপস্থিত হয়

যাতে তেওঁলোকে নিজৰ হেৰাই যোৱা সন্মান পুনৰায় লাভ কৰিব পাৰে। তেওঁলোকে তেখেত (ৰাঃ)ৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিলে। সাক্ষাতৰ আৰম্ভণিত বৈঠকত এজনৰ পিছত আগতে বিশ্বাস স্থাপন কৰা কৃতদাস সকলে আহিবলৈ ধৰিলে যেতিয়া আগতে বিশ্বাস স্থাপন কৰা সকলে আহিব ধৰিলে তেতিয়া তেখেত (ৰাঃ)য়ে সেই মুখিয়াল সকলক কৈছিল যে অলপ পিছুৱাই যাওক তেওঁলোকক সন্মুখত বহিবলৈ দিয়ক, ইমানে পিছুৱাই গ'ল যে সেই মুখিয়ালসকলে জোতাৰ ওপৰত বহিবলগা হ'ল। তেওঁলোকে এই কথা সহ্য কৰিব নোৱাৰিলে  যাৰ কাৰণে উঠি বাহিৰলৈ গুচি গ'ল, তেওঁলোকে কৈছিল যে চাওঁক আজি আমি কেনেকৈ অপমান আৰু লাঞ্ছিত হলো। ইয়াৰ মাজৰ এজন যুৱকে কলে যে ইয়াত হজৰত উমৰ (ৰাঃ)ৰ কোনো ভুল নাই। এইটো আমাৰ পিতৃ-পুৰুষ সকলৰ ভুল আছিল যাৰ কাৰণে আজি আমি শাস্তি পাইছো; এই কথাষাৰ শুনি আন লোকে ক'ব ধৰিলে যে এই অপমানৰ দাগ নিষ্পত্তি কৰিবলৈ কোনো উপায় আছেনে ? এই কথাৰ ওপৰত সকলোৱে পৰামৰ্শ আগবঢ়াই সকলোৱে হজৰত উমৰ (ৰাঃ)ৰ ওচৰলৈ যায়। যেতিয়া তেওঁলোকে এই কথা কলে তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কোমলতাৰ বাবে একোৱে ক'ব নোৱাৰিলে, কেৱল তেখেত (ৰাঃ)য়ে নিজৰ হাতখন উঠাই উত্তৰফালে ইংগিত কৰে যাৰ অৰ্থ আছিল যে উত্তৰ অৰ্থাৎ ছিৰিয়াত কিছুমান ঠাইত ইছলামী যুদ্ধ অব্যাহত আছে যদি তোমালোকে সেই যুদ্ধত অংশগ্ৰহণ কৰা তেতিয়া সম্ভৱত ইয়াৰ প্ৰায়শ্চিত্ত হ'ব পাৰে। ইয়াৰ পিছত তেওঁলোকে তাৰে পৰা উঠি সেই যুদ্ধত অংশগ্ৰহণ কৰাৰ বাবে যাত্ৰা কৰিছিল। ইতিহাসে সাক্ষ্য দিয়ে যে সেই মুখিয়াল সকলৰ ভিতৰত এজনো সেই যুদ্ধৰ পৰা উভতি আহিব পৰা নাছিল সকলোৱে তাতেই শ্বহীদ বৰণ কৰিছিল; এইদৰে তেওঁলোকে নিজৰ বংশৰ নামৰ দাগ আৰু অপমান মুচি পেলাইছিল।

মক্কা বিজয়ৰ পিছত হুজুৰ (ছাঃ)য়ে কাফিৰ সকলৰ মূৰ্তিবোৰ ধ্বংস কৰিবলৈ নিৰ্দেশ দিছিল যাতে লোকসকলৰ হৃদয়ত সেই মূৰ্তিৰ প্ৰতি কৃত্ৰিম ভয় শেষ হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কিছু ঘটনা বাকী আছে ইনশা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰিম।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন প্ৰয়াত মাননীয় চৌধুৰী আব্দুল গফুৰ চাহাব ইবনে চৌধুৰী গোলাম কাদিৰ চাহাব (জামশ্বুৰু হায়দৰাবাদ) আৰু মাননীয় মহম্মদ আলি চাহাব (কৰতাৰপুৰ ফয়চালাবাদ)ৰ সদগতি উল্লেখ কৰে তথা মাগফিৰাত আৰু মৰ্যাদা উন্নীতৰ বাবে দোৱা কৰে লগতে নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB